# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-01-2026
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ প্ৰজন্মক শক্তিশালী আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ গঠনৰ চালিকা শক্তি বুলি অভিহিত কৰিছে।

২। দেশৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মান্দাভিয়াই প্ৰকাশ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে আইনজীৱিসকলক আধুনিক প্ৰযুক্তিক আকোঁৱালি ল'বলৈ পৰামৰ্শ দিছে।

৪। বিশ্বৰ কেইবাগৰাকীও শীৰ্ষস্থানীয় নেতাই ইৰাণ চৰকাৰে প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাৰ সমালোচনা কৰিছে।

*আৰু*

৫। মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ অভিযানৰ সামৰণি পৰিছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ প্ৰজন্মক শক্তিশালী আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ গঠনৰ চালিকা শক্তি বুলি অভিহিত কৰিছে। সামাজিক মাধ্যম যোগে বিকশিত ভাৰত যুৱ নেতা আলোচনাত যুৱ প্ৰজন্মৰ সৈতে মত বিনিময় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰি শ্ৰীমোদীয়ে আজি কয়, যে দেশৰ যুৱ শক্তি অভূতপূৰ্ব উৎসাহ-উদ্দীপনাৰে ৰাষ্ট্ৰৰ প্ৰগতিৰ হকে বদ্ধ পৰিকৰ। প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকী উপলক্ষে নতুন দিল্লীত আয়োজিত বিকশিত ভাৰত যুৱ আলোচনা ২০২৬ৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিসহ দেশৰ বিভিন্ন প্ৰান্তৰ ৩ হাজাৰ যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে দেশৰ উন্নয়নমূলক লক্ষ্য আৰু দীৰ্ঘকালীন ৰাষ্ট্ৰ গঠন দৃষ্টিভংগী সন্দৰ্ভত যুৱক-যুৱতীয়ে লিখা বিকশিত ভাৰত যুৱনেতা আলোচনা বিষয়ক ৰচনা সংকলণ উন্মোচন কৰিব। বিকশিত ভাৰত যুৱ নেতা আলোচনাৰ এইবাৰৰ সংস্কৰণৰ বিভিন্ন পৰ্যায়ৰ ৫০ লাখৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিছে।

000000

দেশৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মান্দাভিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত বিকশিত ভাৰত যুৱ নেতা আলোচনা ২০২৬ত উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমান্দাভিয়াই আজি কয়, যে এই আলোচনাই যুৱ নেতাসকলক প্ৰযুক্তি, উদ্যমশীলতা, প্ৰশাসন, বহনক্ষমতা আৰু সামাজিক বিকাশৰ দৰে ক্ষেত্ৰসমূহত সমাধান সূত্ৰ অন্বেষণৰ বাবে অনুপ্ৰাণিত কৰিব।

মন্ত্ৰীগৰাকীয়ে কয়, যে এই আলোচনা, ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে যুৱ প্ৰজন্মৰ প্ৰতিভা আৰু সৃজনশীলতাক চিনাক্ত কৰাৰ প্ৰক্ৰিয়া। তেওঁ কয়, যে দেশৰ মুঠ জনসংখ্যাৰ অধিকাংশই যুৱক-যুৱতী আৰু এয়া দেশৰ মূল শক্তি। যুৱক-যুৱতীসকলক সাহসী অৱধাৰণা আৰু উদ্ভাৱনেৰে সৱল কৰি তুলিব পাৰিলে তেওঁলোক দেশক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ যাত্ৰাৰ চালিকা শক্তি ৰূপে পৰিগণিত হ'ব বুলি শ্ৰীমান্দাভিয়াই মন্তব্য কৰে। যুৱ নেতা আলোচনাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই মঞ্চই ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত যুৱ প্ৰজন্মক সক্ৰিয়ভাৱে জড়িত কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক সূচাইছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে যুৱক-যুৱতীসকলক ভৱিষ্যতে উন্নত ভাৰতৰ নেতা হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ বিকশাই তুলিবলৈ আহ্বান জনায়। সঠিক সময়ত, সঠিক সিদ্ধান্ত গ্ৰহণ এগৰাকী নেতাৰ মহান শক্তি বুলি তেওঁ মন্তব্য কৰে। বিভিন্ন প্ৰান্তৰ যুদ্ধ আৰু সংঘৰ্ষ সন্দৰ্ভত মতপ্ৰকাশ কৰি শ্ৰীদোভালে কয়, যে নিজৰ ইচ্ছা জাপি দিয়া বিদেশী শক্তিসমূহক প্ৰতিহত কৰিবপৰাকৈ শক্তিশালী হ'ব পাৰিলেহে এখন ৰাষ্ট্ৰই স্বতন্ত্ৰ হৈ থাকিব পাৰে। তেওঁ কয়, যে শক্তিশালী নেতৃত্বৰহে মনোবল বৃদ্ধি কৰিব পাৰে আৰু মনোবল অবিহনে সকলো অস্ত্ৰ-শস্ত্ৰ আৰু সমল অৰ্থহীন হৈ পৰে।

oooooo

আজি বিশ্ব হিন্দী দিৱস। হিন্দী ভাষাৰ ব্যৱহাৰক উৎসাহিত কৰাৰ উদ্দেশ্য আগত ৰাখি প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। এই দিৱস পালনৰ জৰিয়তে সাংস্কৃতিক বিনিময়, শিক্ষা আৰু কূটনীতিকে ধৰি আন্তঃৰাষ্ট্ৰীয় মঞ্চসমূহত হিন্দী ভাষাৰ ব্যৱহাৰ তৰাণ্বিত কৰাৰ লক্ষ্য লোৱা হৈছে। ২০০৬ চনৰ আজিৰ দিনটোতে বিশ্বজুৰি হিন্দী ভাষাৰ প্ৰসাৰ সাধন কৰাৰ উদ্দেশ্যে নাগপুৰত প্ৰথমখন বিশ্ব হিন্দী সন্মিলন আয়োজিত হৈছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয় তথা ভাৰতীয় মিছনসমূহেও বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰতিবছৰে এই দিৱস পালন কৰে। বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে ভাষাৰ জৰিয়তে সংস্কৃতি জীৱন্ত হয় বুলি উল্লেখ কৰি কয় যে হিন্দী ভাষাৰ জৰিয়তে দেশৰ সংস্কৃতি আৰু ঐশ্বৰ্যশালী ঐতিহ্যৰ প্ৰসাৰ ঘটোৱাৰ প্ৰয়াস কৰা হৈছে। এই দিৱস উপলক্ষে কালি আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীসিঙে কয়, যে হিন্দী ভাষাৰ মাধ্যমেৰে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক পৰস্পৰৰ সৈতে সংযুক্ত কৰি ৰখাত মন্ত্ৰ্যালয়ে বৃহৎ ভূমিকা পালন কৰিছে। ভাৰতীয় সাংস্কৃতি সম্পৰ্ক পৰিষদে বিশ্ব জুৰি হিন্দী ভাষাৰ প্ৰসাৰৰ হকে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা বুলিও তেওঁ প্ৰকাশ কৰে। বিশ্বৰ  শতাধিক দেশত হিন্দী ভাষা শিক্ষণৰ বাবে ৭৭০ খন প্ৰতিষ্ঠান থকা বুলি তেওঁ সদৰি কৰে।

oooooo

গুজৰাটৰ প্ৰথম জ্যোৰ্তিলিংগত সোমনাথ স্বাভিমান পৰ্ব চলি আছে। এই পৰ্ব অকল অধ্যাত্মিক সমাৱেশে নহয়, বৰং দেশৰ প্ৰাচীন বৈজ্ঞানিক জ্ঞানৰ উদযাপন।

১০২৬ চনৰ জানুৱাৰীত সোমনাথ মন্দিৰৰ ওপৰত সংঘটিত প্ৰথম আক্ৰমণৰ এহেজাৰ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই অনুষ্ঠান আয়োজন কৰা হৈছে। বিনাশৰ স্মৃতি হিচাপে নহয় বৰং ভক্তসকলৰ শ্বাশ্বত আস্থা আৰু ভাৰতবৰ্ষৰ সভ্যতাগত সংকল্পৰ প্ৰতি শ্ৰদ্ধা হিচাপে এই পৰ্ব অনুষ্ঠিত কৰা হৈছে।

শতিকাৰ পাছত শতিকা ধৰি মন্দিৰটোৰ ওপৰত আক্ৰমণ সংঘটিত হৈছে যদিও দেৱী অহিল্যা বাই হোলকাৰৰ দৰে ভক্তসকলৰ শ্বাশ্বত আস্থা আৰু ভাৰতবৰ্ষৰ সভ্যতাগত সংকল্পই বাৰে বাৰে মন্দিৰটোৰ পুনৰ নিৰ্মাণ নিশ্চিত কৰিছিল।

১৯৫১ চনত সেই সময়ৰ ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ উপস্থিতিত নতুনকৈ নিৰ্মাণ কৰা সোমনাথ মন্দিৰৰ দ্বাৰ মুকলি কৰা হৈছিল। চৰ্দাৰ বল্লভ ভাই পেটেল, কে এম মুন্সি আৰু আন কেইবাগৰাকীও ব্যক্তিয়ে মন্দিৰটোৰ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। চলিত বৰ্ষত ১৯৫১ চনৰ কাৰ্যসূচীৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে।

০০০০০০

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে আইনজীৱিসকলক আধুনিক প্ৰযুক্তিক আকোঁৱালি ল'বলৈ পৰামৰ্শ দিছে। এই সন্দৰ্ভত তেওঁ অপৰাধৰ পৰিৱৰ্তিত বাতাবৰণৰ প্ৰতি লক্ষ্য ৰাখি ন্যায় ব্যৱস্থাত আধুনিক প্ৰযুক্তিৰ প্ৰসংগ উত্থাপন কৰে। স্থানীয় হানছি বাৰ এছ'ছিয়েশ্বনে কালি আয়োজন কৰা এটা বিশেষ অনুষ্ঠানত তেওঁ এই কথা প্ৰকাশ কৰে। দেশৰ অৰ্থনীতি শক্তিশালী হোৱাৰ জৰিয়তে বিদেশী বিনিয়োগ বৃদ্ধি হোৱাৰ সমান্তৰালকৈ বাণিজ্যিক বিবাদ বৃদ্ধি হোৱা বুলি তেওঁ উল্লেখ কৰে। দেশত চাইবাৰ অপৰাধৰ সংখ্যা বৃদ্ধি হোৱা বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০

বিশ্বৰ কেইবাগৰাকীও শীৰ্ষস্থানীয় নেতাই ইৰাণ চৰকাৰে দেশখনত প্ৰতিবাদকাৰীসকলৰ ওপৰত গ্ৰহণ কৰা কঠোৰ পদক্ষেপক সমালোচনা কৰিছে। ইউৰোপীয় সংঘ তথা অষ্ট্ৰেলিয়া আৰু কানাডাৰ বৈদেশিক মন্ত্ৰীয়ে এটা যৌথ বিবৃতিত্ৰ জৰিয়তে ইৰাণৰ নাগৰিকসকলে প্ৰদৰ্শন কৰা সাহসক প্ৰশংসা কৰাৰ লগতে তেওলোকৰ শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰক সন্মান জনাবলৈ চৰকাৰলৈ আহ্বান জনায়। দেশখনৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদকাৰীসকলক বাধা দিবলৈ নিৰাপত্তা বাহিনী মোটায়ন কৰা হৈছে। দেশখনত ইণ্টাৰনেট সেৱা বন্ধ হৈ থকাৰ পৰিপ্ৰেক্ষিতত মাত্ৰ এক শতাংশ যোগাযোগহে অব্যাহত আছে। উল্লেখযোগ্য যে দেশখনত বিগত ১৩ দিন ধৰি প্ৰতিবাদ অব্যাহত আছে। শেহতীয়াকৈ ইৰাণত জীৱনধাৰণৰ ব্যয় বৃদ্ধি হোৱাৰ ফলত প্ৰতিবাদ ব্যাপক হৈ উঠিছে।

০০০০০০

টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে দ্বীপ ৰাষ্ট্ৰখনৰ সমীপত চীনৰ সামৰিক কামকাজ ধৰা পেলোৱা বুলি সদৰি কৰিছে। টাইৱানৰ ওচৰত চীনৰ ৩খন যুদ্ধ বিমান আৰু ছখন যুদ্ধ জাহাজ পৰিলক্ষিত হৈছে। ইয়াৰে এখন যুদ্ধ বিমানে টাইৱানৰ দক্ষিণ-পশ্চিম আকাশ সীমাত প্ৰৱেশ কৰা বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। মন্ত্ৰালয়ে লগতে কয়, যে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকা হৈছে আৰু এই সন্দৰ্ভত যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। টাইৱানৰ ৰাষ্ট্ৰপতি লাইসিংটেই টাইৱানক সুৰক্ষা দিবলৈ তেওঁৰ সংকল্পক দৃঢ়তাৰে দোহাৰি কয়, যে চীনৰ আগ্ৰাসী নীতিক কোনোপধ্যে প্ৰশ্ৰয় দিয়া নহ'ব।

০০০০০০

মিজোৰাম নেচনলে ফ্ৰণ্ট এম এন এফে শাসনাধিস্থিত জোৰাম পিপ'লচ মভমেণ্ট জেড পি এমৰ সৈতে মিত্ৰতা ভংগ কৰাৰ পাছত দক্ষিণ মিজোৰামৰ লংউটলাই জিলাত লাই স্বায়ত্ব শাসিত জিলা পৰিষদৰ পৰবৰ্তী কাৰ্যবাহী গোট গঠনৰ বাবে কংগ্ৰেছ এম এন এফে দাবী জনাইছে। এম এন এফৰ সংবাদ মাধ্যম তথা প্ৰচাৰ কোষৰ সচিব লালেনমাৰিআ জৌংতেই কয় যে এম এন এফ আৰু কংগ্ৰেছে নিৰ্বাচনোত্তৰ বুজাবুজিত উপনীত হোৱাৰ লগতে ইউনাইটেড লেজিচলেচাৰ পাৰ্টি গঠন কৰা হৈছে। এম এন এফৰ চি লালচাৰম্জুৱালাক এই দলৰ মুৰব্বী হিচাপে নিৰ্বাচন কৰা হৈছে। লালচাৰম্জুৱালাই ৰাজ্যপাল বিজয় কুমাৰ সিঙৰ ওচৰত ২৫ জনীয়া সদস্যৰ পৰিষদখনৰ পৰবৰ্তী কাৰ্যবাহী সমিতি গঠন কৰিবলৈ দাবী জনায়।

০০০০০০

মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ অভিযানৰ সামৰণি পৰিছে। কোৱালালামপুৰত অনুষ্ঠিত মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত আজি পি ভি সিন্ধু চীনৰ ৱাং ঝিয়িৰ হাতত ১৬-২১, ১৫-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। ইপিনে, ভাৰতৰ সাত্বিকসাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটো পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় মাগিছে।

০০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি নবী মুম্বাইৰ ডঃ ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত হ'বলগীয়া এখন খেলত ইউ পি ৱাৰিয়ৰ্ছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। কালি একেখন ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে যোৱাবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক ৩ উইকেটত পৰাস্ত কৰে।

০০০০০০

**সমাপ্ত**